**REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 06-08-2025

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আবেদনপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে বাল্য বিবাহৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হৈছে। এইবাৰ এই আঁচনিত ৰাজ্যৰ ৪ লাখৰো অধিক ছাত্ৰীক সামৰি ল'ব বুলিও তেওঁ প্ৰকাশ কৰে। আজিৰ এই কেন্দ্ৰীয় কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্ত উপস্থিত থাকে।

আনহাতে ৰাজ্যৰ আন আন প্ৰান্তত মন্ত্ৰী, বিধায়কে এই কাৰ্যসূচীৰ উদ্বোধন কৰে। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহত বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে বিভিন্ন জনকল্যানমূলক আঁচনিৰ জৰিয়তে সমাজৰ সকলো স্তৰৰ লোকৰ কল্যানৰ বাবে পপ্ৰচেষ্টা অব্যাহত ৰাখিছে। টিয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ত বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আৰু লখিমপুৰ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিধায়ক মানৱ ডেকাই আবেদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

উল্লেখযোগ্য যে মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা , স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ, শিশুৰ শিক্ষা,স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

00000

চিকিৎসাজনিত কাৰণত বদলিৰ বাবে আবেদন জনোৱা শিক্ষকসকল ৰাজ্যিক পৰ্যায়ৰ চিকিৎসা পৰিষদৰ পৰীক্ষাত অৱতীৰ্ণ হব লাগিব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে আজি চিকিৎসা পৰিষদৰ পৰীক্ষাৰ সন্মুখীন হবলগা ৰাজ্যৰ এহেজাৰ ৩০২ গৰাকী শিক্ষকৰ এখন তালিকা প্ৰকাশ কৰিছে। সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি এই শিক্ষকসকলৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৰাজ্যিক পৰ্যায়ৰ চিকিৎসা পৰিষদ গঠন কৰা হৈছে। অহা ২০ আগষ্টৰ পৰা ২৯ আগষ্টলৈ এই চিকিৎসা পৰিষদে বদলিৰ বাবে আবেদন কৰা শিক্ষকসকলৰ স্বাস্থ্য পৰীক্ষা কৰিব। নামৰ বিপৰীতে নিৰ্দিষ্ট কৰি দিয়া তাৰিখত শিক্ষকসকলক চিকিৎসা পৰিষদত উপস্থিত হবলৈ নিৰ্দেশ দিয়া হৈছে। শিক্ষকসকলে ৰোগ আৰু চিকিৎসা সম্পৰ্কীয় সকলো নথিপত্ৰ লগত আনিব লাগিব বুলি নিৰ্দেশনাটোৰ জৰিয়তে প্ৰকাশ কৰা হৈছে।

00000

বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিত আজি  বিধায়ক উন্নয়ন পুজিৰ অধীনত ৪ খন উন্নয়নমূলক আচনিৰ আধাৰশিলা স্থাপন কৰা হয়। ইয়াৰে ভিতৰত ৰটোৱাৰ মাহালিবস্তিত ১০ লাখ টকা ব্যয় সাপেক্ষ সমুহীয়া ৰংগমঞ্চ, জিঞ্জিয়া চাহ বাগিচাৰ নীলবাৰী প্ৰাথমিক বিদ্যালয়ত ৫ লাখ টকা ব্যয় সাপেক্ষ পকী বেৰ, লালপানী বাসন্তী মন্দিৰৰ কাষত ৫ লাখ টকা  ব্যয় সাপেক্ষ ৰংগমঞ্চ আৰু বাঘমাৰী  চাহ বাগিছা প্ৰাথমিক বিদ্যালয়ত ৫ লাখ টকা ব্যয় সাপেক্ষ পকী বেৰ। বিহালী সমষ্টিৰ বিধায়ক দিগন্ত ঘাটোৱালে এই আঁচনিসমূহৰ আধাৰশিলা স্থাপন কৰে।

00000

উত্তৰ পূৰ্বাঞ্চল ছাত্ৰ সন্থা  – চমুকৈ নেচ ’ই ৰাজ্য চৰকাৰে বনভূমিত চলোৱা উচ্ছেদ অভিযানক প্ৰশংসা কৰিছে। গুৱাহাটীত আজি অনুষ্ঠিত এখন সংবাদমেলত নেচ ’ৰ উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয় যে কোনো লোক বনভূমিত থাকিব নোৱাৰে। উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে বনভূমিত থকা  অবৈধ দখল উচ্ছেদ কৰিব লাগে বুলি তেওঁ প্ৰকাশ কৰে। উত্তৰ পূৱৰ জনতাৰ নিৰাপত্তা সুৰক্ষিত কৰিবলৈও ড° ভট্টাচাৰ্যই ৰাজ্য চৰকাৰক আহ্বান জনায়।

00000

ডিফু চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত পোনপ্ৰথমবাৰৰ বাবে স্থাপন কৰা এম আৰ আই সেৱা আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, জিলা আয়ুক্ত নিৰলা ফাংছপি,

চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ সুমিত্ৰা হাগজাৰসহ বহু লোক উপস্থিত থাকে। এই অনুষ্ঠানতে চিকিৎসা মহাবিদ্যালয়খনলৈ তুলিৰাম ৰংহাঙে ৰোগীৰ বাবে চকা থকা চকী আগবঢ়ায়।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ

00000

**সমাপ্ত**